**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-07-2024
**Time :** 13-40 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, দেশত বিগত ৩-৪ বছৰত ৮ কোটি নতুন কৰ্ম সংস্থাপন সৃষ্টি হৈছে আৰু ইয়াৰ ফলত কৰ্ম সংস্থাপনহীনতাৰ বিষয়ে অপপ্ৰচাৰ চলোৱাসকলৰ মুখ বন্ধ হৈছে।

২। প্ৰধানমন্ত্ৰীয়ে খাৰ্ছি পূজা উপলক্ষে দেশবাসীক বিশেষকৈ ত্ৰিপুৰা জনসাধাৰণক ওলগ জনাইছে।

৩। যোৰহাটৰ সাংসদ গৌৰৱ গগৈক পুনৰ লোকসভাত কংগ্ৰেছ সংসদীয় দলৰ উপ দলপতি হিচাপে নিযুক্তি দিয়া হৈছে।

৪। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ইন্দোৰৰ পৰা মধ্য প্ৰদেশৰ ৫৫ খন জিলাত প্ৰধানমন্ত্ৰী উৎকৰ্ষতা মহাবিদ্যালয় উদ্বোধন কৰিব। ***আৰু***

৫। ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি হাৰাৰেত অনুষ্ঠিত হ'ব।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, দেশত বিগত ৩-৪ বছৰত ৮ কোটি নতুন কৰ্ম সংস্থাপন সৃষ্টি হৈছে আৰু ইয়াৰ ফলত কৰ্ম সংস্থাপনহীনতাৰ বিষয়ে অপপ্ৰচাৰ চলোৱাসকলৰ মুখ বন্ধ হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আইত কৰ্মসংস্থাপন সম্পৰ্কীয় এখন প্ৰতিবেদনৰ উদ্ধৃতি দি শ্ৰীমোদীয়ে কয় যে, দেশত দক্ষতা বিকাশ আৰু কৰ্মসংস্থাপনৰ আৱশ্যকতা আছে আৰু চৰকাৰে এই দিশত কাম কৰি আছে। মুম্বাইৰ গোৰেগাঁৱত কালি ২৯ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে পথ, ৰে'লৱে আৰু বন্দৰ খণ্ডৰ ভালেমান প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি শ্ৰীমোদীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, অপপ্ৰচাৰ চলোৱাসকল প্ৰকৃততে বিনিয়োগ, আন্তঃগাঁথনিৰ উন্নয়ন আৰু দেশৰ বিকাশৰ শত্ৰু। এন ডি এ চৰকাৰে সুস্থিৰতা আৰু বিকাশত অগ্ৰাধিকাৰ দি যাব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ক্ষুদ্ৰ আৰু বৃহৎ বিনিয়োগকাৰীসকলে এন ডি এৰ তৃতীয় কাৰ্যকালৰ প্ৰতি উৎসাহেৰে আদৰণি জনাইছে। তেওঁ কয় যে, গৌৰৱময় ইতিহাসেৰে সমৃদ্ধ মহাৰাষ্ট্ৰৰ ভৱিষ্যত সমৃদ্ধিৰ সপোন সাৰ্থক কৰাৰ সামৰ্থ্য আছে। শ্ৰীমোদীয়ে কয় যে, মহাৰাষ্ট্ৰত উদ্যোগ, কৃষি আৰু বৃত্ত খণ্ডত যথেষ্ট প্ৰগতি হৈছে আৰু ৰাজ্যখনে ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, তেওঁ মহাৰাষ্ট্ৰক বিশ্বৰ বৃহৎ বিত্তীয় কেন্দ্ৰ আৰু গোলকীয় বিত্ত প্ৰযুক্তি ৰাজধানী ৰূপে গঢ়ি তোলাৰ লক্ষ্য স্থিৰ কৰিছে। মুম্বাই আৰু ইয়াৰ চৌপাশৰ এলেকাসমূহত আৰম্ভ কৰা আন্তঃগাঁথনি প্ৰকল্পসমূহে যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰি তুলিব আৰু মহিলাৰ নিৰাপত্তা সুনিশ্চিত হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰে পালঘৰৰ দহানুত ৱধাৱন বন্দৰত অনুমোদন জনাইছে। ৭৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ এই প্ৰকল্পৰ জৰিয়তে ১০ লাখ কৰ্মসংস্থাপন সৃষ্টি হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খাৰ্চি পূজা উপলক্ষে দেশবাসীক বিশেষকৈ ত্ৰিপুৰা জনসাধাৰণক ওলগ জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমত এটা পোষ্টযোগে এইবুলি আশা প্ৰকাশ কৰিছে যে, চতুৰ্দশ দেৱতাই যেন তেওঁৰ আশীষেৰে সকলোৰে জীৱন ধন্য কৰে। তেওঁ লগতে সকলোৰে বাবে সুখ, সমৃদ্ধি আৰু সুস্বাস্থ্যৰ কামনা কৰিছে।

০০০

কংগ্ৰেছৰ সংসদীয় দলৰ অধ্যক্ষ ছোনীয়া গান্ধীয়ে লোকসভাত দলৰ উপ নেতা, মুখ্য হুইপ আৰু অন্য দুগৰাকী হুইপ নিযুক্তি সন্দৰ্ভত নিম্ন সদনৰ অধ্যক্ষলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। সেই অনুসৰি যোৰহাটৰ সাংসদ গৌৰৱ গগৈ পুনৰ লোকসভাত কংগ্ৰেছ সংসদীয় দলৰ উপ দলপতি হিচাপে নিযুক্তি দিয়া হৈছে। আনহাতে, কোদিকুন্নিল সুৰেশক মুখ্য হুইপ হিচাপে নিযুক্তি দিয়া হৈছে।

০০০

৪ হাজাৰ ৮৮৯ গৰাকী তীৰ্থযাত্ৰীৰ আৰু এটা দল আজি নিচেই পুৱা জম্মুৰ ভগৱতী নগৰ যাত্ৰী নিৱাসৰ মূল শিবিৰৰ পৰা পবিত্ৰ অমৰনাথ গুহা দৰ্শনৰ বাবে ৰাওনা হৈছে। ইয়াৰে ভিতৰত এহেজাৰ ৮৯৬ গৰাকী তীৰ্থযাত্ৰী পুৱা ৩ বাজি ৫ মিনিটত বালতল শিবিৰৰ পৰা আৰু দুহেজাৰ ৯৯৩ গৰাকী তীৰ্থযাত্ৰী পেহলগাম শিবিৰৰ পৰা পুৱা ৩ বাজি ৫৫ মিনিটত ১৮৭ খন সৰুবৰ বাহনেৰে পবিত্ৰ গুহা অভিমুখে ৰাওনা হৈছে। ইপিনে, স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰই কালি জম্মু কাশ্মীৰত অমৰনাথ যাত্ৰাৰ বাবে স্বাস্থ্য বিভাগৰ প্ৰস্তুতিৰ বুজ লয়। সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত মন্ত্ৰীগৰাকীয়ে পিট্‌ঠু এম্বুলেন্স সেৱাৰ বিষয়ে উল্লেখ কৰে। এই সেৱাৰ জৰিয়তে এই সেৱাৰ জৰিয়তে যাত্ৰীসকলৰ বাবে গোটেই যাত্ৰা পথত ঘোৰাৰে কঢ়িওৱা অক্সিজেন চিলিণ্ডাৰৰ ব্যৱস্থা কৰা হৈছে। যাত্ৰাৰ মূল শিবিৰসমূহত সুসজ্জিত চিকিৎসা সুবিধা প্ৰদান কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০

কেন্দ্ৰীয় চৰকাৰে জম্মু-কাশ্মীৰৰ উপৰাজ্যপালক অধিক ক্ষমতা প্ৰদান কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে জম্মু-কাশ্মীৰ পুনৰগঠন আইন ২০১৯ সংশোধন কৰি উপৰাজ্যপালৰ কৰ্তৃত্ব যথেষ্ট শক্তিশালী কৰি তুলিছে। কেন্দ্ৰীয় চৰকাৰে এই আইনৰ অধীনত ব্যৱসায়িক লেনদেন নিয়ম সংশোধন কৰি এক অধিসূচনা জাৰি কৰিছে। এই নিয়মসমূহ চৰকাৰী ৰাজপত্ৰত প্ৰকাশ পোৱা তাৰিখ অনুসৰি বলবৎ কৰা হ'ব। পূৰ্বতে আৰক্ষী, জনশৃংখলা, সৰ্বভাৰতীয় সেৱা আৰু দুৰ্নীতি বিৰোধী বিভাগ সম্পৰ্কীয় প্ৰস্তাৱসমূহ উপ ৰাজ্যপালৰ ওচৰলৈ যোৱাৰ পূৰ্বে জম্মু কাশ্মীৰৰ বিত্ত বিভাগৰ অনুমোদনৰ প্ৰয়োজন হৈছিল। এই নিয়মৰ অধীনত কেন্দ্ৰীয় ভূখণ্ডৰ মুখ্য সচিবৰ জৰিয়তে পোনপটীয়াকৈ উপ ৰাজ্যপালৰ ওচৰত উপস্থাপন কৰা হ'ব।

০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্প যোৱা নিশা পেঞ্চেলভেনিয়াৰ এখন নিৰ্বাচনী সভাত হোৱা গুলিচালনাত আহত হয়। গুলিচালনাৰ পাছতে সুৰক্ষা কৰ্মীয়ে ততালিকে ব্যৱস্থা গ্ৰহণ কৰি এজন বন্দুকধাৰীক গুলিয়াই নিহত কৰে। এই ঘটনাত অন্য এজন ব্যক্তি নিহত হয় আৰু এজন আহত হয়। ঘটনাৰ সময়ত ট্ৰাম্প মঞ্চৰ পৰা বাগৰি পৰে আৰু গোপন সেৱাৰ বিষয়াই তেঁওক ততালিকে তেওঁক ঘটনাস্থলীৰ পৰা বাহিৰলৈ লৈ যায়। ট্ৰাম্পৰ মুখমণ্ডলত তেজৰ চেকুৰা দেখা যায়। বিষয়াসকলে প্ৰকাশ কৰা মতে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকী সম্পূৰ্ণৰূপে নিৰাপদে আছে। শ্ৰীট্ৰাম্পে এটা বিবৃতিযোগে গোপন সেৱা বিষয়া আৰু অন্য বিষয়াসকলৰ দ্ৰুত ব্যৱস্থাৰ প্ৰশংসা কৰিছে। তেওঁ

লগতে এই ঘটনাত সোফালৰ কাণৰ উপৰিভাগত গুলিৰ আঘাট লগা বুলি জানিবলৈ দিছে। ৰাষ্ট্ৰপতি জো বাইডেনে এই ঘটনাক গৰিহণা দিছে আৰু শ্ৰীট্ৰাম্পক নিৰাপদে আঁতৰাই অনাৰ বাবে গোপন সেৱা বিষয়াসকলৰ শলাগ লৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰাক্তন ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ ওপৰত হোৱা আক্ৰমণক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে এই আক্ৰমণক গৰিহণা দিছে। শ্ৰীমোদীয়ে কৈছে যে, ৰাজনীতি আৰু গণতন্ত্ৰত হিংসাৰ কোনো স্থান নাই। তেওঁ লগতে শ্ৰীট্ৰাম্পৰ আশু আৰোগ্য কামনা কৰিছে।

000

স্পেইন আৰু আৰু ইংলেণ্ডৰ মাজত বাৰ্লিনত আজি নিশা চাৰে ১২ বজাত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব। খেলখনত স্পেইন অভিলেখ সংখ্যক চতুৰ্থবাৰৰ বাবে খিতাপ লাভৰ লক্ষ্যৰে অৱতীৰ্ণ হোৱাৰ বিপৰীতে। ইংলেণ্ডে একেৰাহে দ্বিতীয়বাৰৰ বাবে ইউৰোকাপৰ ফাইনেল খেলিব। ছেমিফাইনেলত স্পেইনে ২-১ গলত ফ্ৰান্সক আৰু একেই ব্যৱধানত ইংলেণ্ডে নেডাৰলেণ্ডছক পৰাজিত কৰিছিল।

আন এখন মহাদেশীয় ফুটবল প্ৰতিযোগিতা ক'পা আমেৰিকাত কাইলৈ ভাৰতীয় সময় অনুসৰি পুৱা চাৰে পাঁচ বজাত মিয়ামিত হ'বলগীয়া ফাইনেল খেলত আৰ্জেণ্টিনা, কলম্বিয়া বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছেমিফাইনেলত কলম্বিয়াই উৰুগুৱেক আৰু আৰ্জেণ্টিনাই কানাডাক পৰাজিত কৰিছিল। আৰ্জেণ্টিনাই তৃতীয়বাৰৰ বাবে খিতাপ জয়ৰ চেষ্টা চলাব। আনহাতে কলম্বিয়াই দ্বিতীয়বাৰৰ বাবে কোপা আমেৰিকা ফুটবল প্ৰতিযোগিতাত চুড়ান্ত বিজয়ী হোৱাৰ লক্ষ্যৰে খেলত অৱতীৰ্ণ হ'ব। কোপা আমেৰিকা ফুটলৰ প্ৰতিযোগিতাৰ ইতিহাসত আৰ্জেণ্টিনা আৰু উৰুগুৱে হৈছে আটাইতকৈ সফল দল। দুয়োটা দলে ১৫ বাৰকৈ এই প্ৰতিযোগিতাত বিজয়ী হৈছে।

000

সাতবাৰৰ চেম্পিয়ন ন'ভাক জ'ক'ভিচ আজি উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলৰ ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন কাৰ্লোছ অল্‌কাৰাজ্‌ৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৬ বজাত আৰম্ভ হ'ব।

000

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি হাৰাৰে স্পৰ্টছ ক্লাৱত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৪ বজাত আৰম্ভ হ'ব।

000

ঃঃ সমাপ্ত ঃঃ